# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2025
**Time :** 0755 HRS

## *Assamese Morning Bulletin*

**- - - - - - - - - - - - - - -**

মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ দুইলেনযুক্ত দলংখনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে পুনৰ আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত এই কথা উল্লেখ কৰিছে। পথ যোগাযোগ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ব্যয় বিত্ত সমিতিয়ে প্ৰায় ৭০০ কোটি টকাৰ সংশোধিত প্ৰকল্প ব্যয়ত অনুমোদন জনাইছে। পৰৱৰ্তী পদক্ষেপ হিচাপে শীঘ্ৰেই নিবিদা আহ্বান কৰা হ'ব বুলিও বাৰ্তাটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ছেপ্তেম্বৰ মাহৰ পৰা মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে মুখ্যমন্ত্ৰীকে ধৰি ৰাজ্যৰ বিভিন্ন দল-সংগঠনে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনোৱাৰ পাছত সংশোধিত প্ৰকল্প ব্যয়ত চৰকাৰে অনুমোদন দিছে।

০০০০০

নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ ৬০০ কোটি টকা বিনিয়োগেৰে নতুন গোট স্থাপন কৰাৰ পাছত ৰাজ্যত সাৰৰ নাটনি দূৰ হ'ব বুলি কৃষিমন্ত্ৰী অতুল বৰাই কালি বিধানসভাত প্ৰকাশ কৰিছে। এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামে ৰাজ্যত সাৰৰ কৃত্ৰিম নাটনি তথা কৃষকে উচ্চ দামত সাৰ কিনিবলৈ অক্ষম হোৱা সন্দৰ্ভত কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰী বৰাই কয়, যে কৃষি বিভাগে জিলা প্ৰশাসনৰ লগত যুটীয়াভাৱে অনুসন্ধান কৰি সাৰ বিক্ৰীৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়ম পোৱা নাই আৰু নামৰূপৰ অতিৰিক্ত গোটটো স্থাপন হোৱাৰ পাছতে বৰ্তমানৰ নাটনি দূৰ হ'ব।

০০০০০

যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ২০ সংখ্যক অসম মহোৎসৱ আৰম্ভ হ'ব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে মহোৎসৱখন উদ্বোধন কৰিব। অনুষ্ঠানত সাহিত্য সংস্কৃতি আৰু ক্ৰীড়া জগতলৈ বিশেষ সেৱা আগবঢ়োৱা চাৰিগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হ'ব। উদ্বোধনী অনুষ্ঠানত অসমীয়া লোকসংস্কৃতিৰ বাৰেৰহণীয়া কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি বিয়া নাম, দিহানাম, চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে কেইবাখনো কৰ্মশালা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। মহোৎসৱখনৰ অহা ২৩ মাৰ্চত সামৰণি পৰিব।

০০০০০

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কালি নিশা ১২ বজাৰ পাছতে ঘোষণা কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম

আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

ৰাজ্যৰ ১০৫ খন পৌৰ নিগম নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীক অৱসৰ পৰ্যন্ত চৰকাৰে দৰমহা প্ৰদান কৰিব। ২০১৩ চনৰ ৪ ছেপ্তেম্বৰৰ ভিতৰত নিযুক্তি লাভ কৰাসকল ইয়াৰ আওতালৈ আহিব। অসম বিধানসভাত কালি ৰাজ্যৰ পৌৰ নিগম নিকায়সমূহত কৰ্মৰত কৰ্মচাৰীসকলৰ পদ প্ৰাদেশিকীকৰণ বিধেয়ক গৃহীত হোৱাৰ পাছতে গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই কথা প্ৰকাশ কৰে। বিধেয়কখনৰ কেইবাটাও দফাৰ সংশোধনী প্ৰস্তাৱৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে পৌৰ নিগম নিকায়সমূহে স্বতন্ত্ৰভাৱে কাম কৰাৰ লগতে কৰ্মচাৰীসকলক নিযুক্তি দি দৰমহা প্ৰদান কৰি আহিছে। কিন্তু বহু পৌৰ নিগম নিকায়ৰ সময়ত কৰ্মচাৰীসকলক দৰমহা দিব নোৱাৰাত কৰ্মচাৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বিষয়টো সন্দৰ্ভত আলোচনা আৰু বিবেচনাৰ অন্তত পথসমূহ প্ৰাদেশিকীকৰণৰ বাবে আইনখন আনি তেওঁলোকক সকাহ দিবলৈ চেষ্টা কৰা হৈছে বুলি মন্ত্ৰী মল্লবৰুৱাই উল্লেখ কৰে।

০০০০০

যোৰহাটত আজিৰে পৰা ঐতিহ্যমণ্ডিত ঘোঁৰা দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৮৭৭ চনত ইংৰাজৰ আমোলত আৰম্ভ হোৱা এই আকৰ্ষণীয় প্ৰতিযোগিতাখনৰ ১৪২ সংখ্যক সংস্কৰণৰ লগত সংগতি ৰাখি টেনিছ, গল্ফ আদি খেলো অনুষ্ঠিত কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৰহাট জিমখানা ক্লাবৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত এইবাৰ ডিব্ৰুগড়ৰ এটা অশ্বাৰোহী দলে ঘোঁৰা দৌৰৰ বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে এই ঘোঁৰা দৌৰৰ লগত সংলগ্ন গভৰ্নৰ্চ কাপ হৈছে অসমৰ ৰাজ্যপালে প্ৰতিবছৰে প্ৰদান কৰা প্ৰধান বঁটা। যোৰহাটৰ ঘোঁৰা দৌৰক সম্প্ৰতি ৰাজ্যৰ অন্যতম পুৰণি ক্ৰীড়া প্ৰতিযোগিতা বুলিও গণ্য কৰা হয়। এই প্ৰতিযোগিতাৰ লগতে কাৰ ৰেলী, কুকুৰৰ প্ৰদৰ্শনী, সংগীতানুষ্ঠান আদিৰো আয়োজন কৰা হয়।

০০০০০

দিখৌ টি-২০ চেলেঞ্জাৰ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ক্ৰিকেট ক্লাব অব নাজিৰাই, কে টি চি মৰাণ দলক ৪ উইকেটত পৰাস্ত কৰে। কে টি চি মৰাণ দলে নিৰ্দ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৩২ ৰাণ কৰে। মৰাণ দলৰ সত্যজিৎ মোহনে সৰ্বাধিক ৪২ ৰাণ কৰে। প্ৰত্যুত্তৰত ক্ৰিকেট ক্লাব অব নাজিৰাই ১৭ অভাৰ আৰু দুটা বলত নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ মিহিৰ গোৱালাই সৰ্বাধিক ৩৯ ৰাণ কৰে।

০০০০০

সমাপ্ত